কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি
Computerised Accounting System

13

আগৰ ১২নং অধ্যায়ত তোমালোকে ইতিমধ্যে হিচাপকৰণত কম্পিউটাৰৰ ব্যৱহাৰ, ইয়াৰ প্ৰকৃতি আৰু হিচাপ সম্পৰ্কীয় তথ্য পদ্ধতিৰ বিষয়ে শিকিলা। এই অধ্যায়ত আমি কম্পিউটাৰ যুক্ত হিচাপকৰণ পদ্ধতিৰ প্ৰকৃতি, ইয়াৰ সুবিধা, সীমাবদ্ধতা আৰু উৎস সমুহৰ বিষয়ে আলোচনা কৰিম।

শিকাৰ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে জানিবলৈ সক্ষম হ'বা-

- *কম্পিউটাৰযুক্ত হিচাপ বিদ্যা পদ্ধতিৰ ব্যাখ্যা দিবলৈ।*
- *কম্পিউটাৰ যুক্ত হস্তগত হিচাপকৰণ পদ্ধতিৰ মাজত পাৰ্থক্য উলিয়াবলৈ।*
- *কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ সুবিধা আৰু সীমাবদ্ধতা দেখুওৱালৈ কম্পিউটাৰযুক্ত হিচাপ দিয়া পদ্ধতিৰ উৎস সমুহ উল্লেখ কৰিবলৈ।*

13.1 কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ ধাৰণা
(Concept of Computerised Accounting System)

কম্পিউটাৰ যুক্ত হিচাপকৰণ পদ্ধতি মানে বৃত্তীয় লেনদেন আৰু ঘটনাসমুহ সাধাৰণতে গ্ৰহণ কৰা হিচাপকৰণৰ মূলনীতি সমুহৰ ভিত্তিত ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি হিচাপ সম্বন্ধীয় তথ্য প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা এটি প্ৰণালী। হস্তচালিত হওঁক বা কম্পিউটাৰযুক্তই হওঁক সকলো হিচাপ পদ্ধতিৰে দুটা দিশ আছে। প্ৰথমতে ই এটি সু-সংজ্ঞাবদ্ধ হিচাপ সম্পৰ্কীয় নিয়মৰ সংহতিৰ গন্দিত কাম কৰে। আনটো হ'ল নথি সমুহৰ ৰক্ষণাবেক্ষণ আৰু প্ৰতিবেদন উৎপাদনৰ বাবে ব্যৱহাৰ কাৰীয়ে নিজে বৰ্ণনা দিয়া ঠাচ ব্যৱহাৰ কৰে।

কম্পিউটাৰ যুক্ত হিচাপকৰণ প্ৰণালীত হাৰ্ডৱেৰ

আৰু ছফট্‌ৱেৰ সমলিত ডাটা জমা আৰু প্ৰণালীকৰণ কৰা পদ্ধতিটোক পৰিচালিত পৰিৱেশ বুলি কোৱা হয়। ব্যৱহাৰ হোৱা হিচাপকৰণৰ প্ৰকাৰে এই পৰিৱেশ নিৰ্ণয় কৰে। হাৰ্ডৱেৰ আৰু ছফট্‌বেৰ দুয়োটা পৰস্পৰ নিৰ্ভৰশীল। তদুপৰি হাৰ্ডৱেৰ বাছনি ব্যৱহাৰ কাৰীৰ সংখ্যা, .গোপনীয়তাৰ স্তৰ আৰু কাৰ্যকৰী বিভাগসমুহৰ বিভিন্ন কৰ্মৰাজি আদি কাৰকৰ ওপৰত নিৰ্ভৰ কৰে।

উদাহৰণস্বৰূপে, এটি সংঘৰ বেলিকা লেনদেন কম বাবে নিম্নতম ছফট্‌ৱেৰ যুক্ত ব্যক্তিগত কম্পিউটাৰেই যথোপযুক্ত। আনহাতে ভৌগলিক ভাবে বিভিন্ন ঠাইত কাৰখানা আৰু কাৰ্যালয় সিচঁৰিত হৈ থকা কোনো ডাঙৰ ব্যৱসায়ীক প্ৰতিস্থানৰ বাবে সুবিশাল ডাটা আৰু জটিল প্ৰতিবেদন জমা ৰাখিবলৈ বৃহৎ নেটৱৰ্ক জড়িত দামী আৰু শক্তি শালী কম্পিউটাৰ ব্যৱহাৰ কৰিব লগা হয়। এই প্ৰয়োজন পূৰাবলৈ বহু ব্যৱহাৰকাৰী সমৰ্থিত পৰিচালনা পদ্ধতি ইউনিক্স, লিনাক্স আদি ব্যৱহাৰ কৰা হয়।

কম্পিউটাৰ কৃত, আধুনিক হিচাপ পদ্ধতি ডাটাবেচৰ ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰে। ডাটাবেছ পৰিচালনা পদ্ধতি ব্যৱহাৰ কৰি ডাটাবেছ প্ৰস্তুত কৰা হয়। ই ডাটা উপযুক্ত ভাবে সজাই সঞ্চিত ডাটা কিছুমান প্ৰয়োগিক কাৰ্য্যক্ৰমণিকাৰ জৰিয়তে পৰিচালনা কৰি পাবলৈ প্ৰস্তুত কৰা প্ৰগ্ৰাম বা ছফট্‌ৱেৰৰ সংহতি। হিচাপ সম্পৰ্কীয় ডাটাবেছ হিচাপৰ প্ৰয়োগিক কাৰ্য্যক্ৰমনিকা আৰু প্ৰতিবেদন ব্যৱহাৰ কৰি সক্ৰিয় ইণ্টাৰফেচেৰে সুসজ্জিত কৰা এটি ব্যৱহাৰিক প্ৰ'গ্ৰাম। প্ৰতিটো কম্পিউটাৰ কৃত হিচাপ পদ্ধতিত দুটা প্ৰাথমিক দৰকাৰী অংশ থাকে।

- **হিচাপকৰণৰ গাঁথনি** *(Accounting fremework)* ঃ এইটো হিচাপৰ নিয়ম সংহতি, সংকেতকৰণ আৰু গোট কৰণেৰে গঠিত

- **পৰিচালনা প্ৰণালী** *(Operating Procedure)* ঃ ই কোনো প্ৰতিস্থান পৰিচালনাৰ পৰিবেশৰ লগত খাপ খোৱা সুসংজ্ঞাবদ্ধ পৰিচালনা পদ্ধতি।

  তলত উল্লেখ কৰাৰ নিচিনা ডাটাবেচ সম্পৰ্কীয় প্ৰয়োগত কম্পিউটাৰৰ ব্যৱহাৰ কৰিলে চাৰিটা প্ৰাথমিক জ্ঞানৰ প্ৰয়োজন।

- **সন্মুখ ফালৰ পৰা সংযোগীকৰণ** *Interface (Font-end Intuface)*ঃ- এইটো হ'ল ব্যৱহাৰকাৰী আৰু ডাটাবেচ সম্বন্ধীয় ছফট্‌ৱেৰৰ পৰস্পৰৰ মাজত থকা এক সংযোগ ব্যৱস্থা যাৰ জৰিয়তে ব্যৱহাৰকাৰীয়ে ডাটাবেচৰ শেষ মুৰৰ অংশলৈ যোগাযোগ কৰিব পাৰে। উদাহৰণ স্বৰূপে, বয়বস্তু ক্ৰয়ৰ লগত জৰিত লেনদেন এটা এখন ক্ৰয় কৰা ৰচিদেৰে সম্পন্ন কৰিব পাৰি। ডাটা অন্তৰ্ভুক্তিৰ সময়ত ইয়াক কম্পিউটাৰ মনিটৰত দেখা যায় আৰু

পদ্ধতিৰ ভিতৰ ডাটাবেচত জমা হয়। সেই একে ডাটা প্ৰতিবেদন প্ৰস্তুত পদ্ধতি যেনে ক্ৰয় বিশ্লেষণ ছফট্‌ৱেৰত কৰিলে প্ৰশ্নগত হ'ব পাৰে।

- **পিছৰ ভাগ ডাটাবেছ** *(Backend database)* ঃ- এইটো হ'ল ব্যৱহাৰকাৰীৰ পৰা লুকাই থকা ডাটা সঞ্চয় পদ্ধতি। ডাটা আহৰণৰ বাবে অনুমোদন প্ৰাপ্ত ব্যৱহাৰকাৰীৰ প্ৰয়োজন মৰ্মে ই সহাৰি জনায়।
- **ডাটাৰ প্ৰণালীকৰণ** *(Data Processing)* ঃ- ডাটাক ফলপ্ৰসু সিদ্ধান্তমূলক তথ্যলৈ ৰূপান্তৰ ঘটাবলৈ যি কাৰ্যৰ অনুক্ৰম কৰা হয় সেয়াই হ'ল ডাটাৰ প্ৰণালীকৰণ।
- **প্ৰতিবেদন প্ৰস্তুত প্ৰণালী** (Reporting system) ঃ- ই হ'ল প্ৰতিবেদন প্ৰস্তুত কৰা বস্তু সমুহৰ যোগাত্মক সংহতি।

কম্পিউটাৰযুক্ত হিচাপকৰণ লেনদেনৰ তথ্য সুসংগঠিত ডাটাবেচত সঞ্চয় কৰি ৰাখিবলৈ ব্যৱহাৰ কৰা এটি ডাটাবেচ সম্পৰ্কীয় প্ৰয়োগ। ব্যৱহাৰকাৰীয়ে প্ৰয়োজন বোধে উপযুক্ত সংযোগ মাধ্যম প্ৰয়োগ কৰি, ডাটাবেচত সঞ্চিত বিভিন্ন ডাটাক তথ্যলৈ ৰূপান্তৰ কৰি প্ৰতিবেদন প্ৰস্তুত কৰে। সেয়েহে কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিয়ে কম্পিউটাৰত ডাটাবেচ সম্পৰ্কীয় সকলো চাহিদা পূৰণ কৰে। সেই মৰ্মে কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত ওপৰত উল্লেখ কৰা চাৰিটা অতিৰিক্ত প্ৰয়োজনীয়তা থাকে।

13.2 হাতেৰে কৰা আৰু কম্পিউটাৰযুক্ত হিচাপকৰণৰ তুলনা (Comparison between Manual and Computerised Accounting)ঃ

সংজ্ঞামতে, বৃত্তীয় লেনদেন সমুহ চিনাক্তকৰণ, লিপিবদ্ধ কৰণ, শ্ৰেণীবদ্ধকৰণ আৰু সংক্ষিপ্ত কৰণ কৰি চূড়ান্ত বিশ্লেষণৰ বাবে প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা প্ৰক্ৰিয়া সমুহক একেলগে হিচাপকৰণ বোলা হয়। ওপৰোক্ত কাৰ্যসমুহ হস্তগত আৰু কম্পিউটাৰযুক্ত হিচাপকৰণৰ লগত সংগতি ৰাখি বুজি লোৱা।

- **চিনাক্তকৰণ***(Indentifying)*ঃ হিচাপকৰণৰ মুলনীতিৰ ওপৰত ভিত্তি কৰি দুয়োটা ক্ষেত্ৰতে (হস্তগত আৰু কম্পিউটাৰযুক্ত) লেনদেনৰ চিনাক্তকৰণ একে ধৰণৰ হয়।
- **লিপিবদ্ধকৰণ***(Recording)*ঃ হস্তগত হিচাপকৰণ বৃত্তীয় লেনদেনবোৰৰ আৰম্ভণীতে অন্তৰ্ভুক্ত কিতাপ সমুহৰ সহায়ত লিপিবদ্ধ কৰা হয়। আনহাতে কম্পিউটাৰ কৃত হিচাপকৰণ পদ্ধতিত এই লেনদেনবোৰ সুসংগঠিত ডাটাবেচত কৰা হয়।
- **শ্ৰেণীবদ্ধকৰণ***(Classification)*ঃ হস্তগত হিচাপ পদ্ধতিত মুল অন্তৰ্ভুক্তি বহীত লিপিবদ্ধ কৰা লেনদেন সমুহ খতিয়ন হিচপলৈ আনি শ্ৰেণীবদ্ধকৰণ কৰা হয়। সেয়ে ইয়াৰ লেনদেনৰ

তথ্যৰ দ্বৈততা ধৰ্মৰ আবিৰ্ভাৱ হয়। কিন্তু কম্পিউটাৰ কৃত পদ্ধতিত লেনদেনৰ শ্ৰেণীবদ্ধকৰণ কৰিবলৈ ডাটাৰ দ্বৈততা ধৰ্মৰ আবিৰ্ভাব হোৱা দেখা নাযায়। এই ক্ষেত্ৰত ডাটা খতিয়ন হিচাপলৈ নিবৰ বাবে শ্ৰেণীবদ্ধকৰণ ডাটা হিচাপে ওলাবলৈ নিৰ্দেশ দি প্ৰক্ৰিয়া কৰা হয় যাতে ই এটি প্ৰতিবেদনৰ ৰূপত প্ৰকাশ পায়। বিভিন্ন প্ৰতিবেদনত প্ৰকাশ কৰিবলৈ একেটা লেনদেনৰে বিভিন্ন ৰূপ সমুহৰ উপলদ্ধ কৰা হয়।

- **সংক্ষিপ্তকৰণ** *(Summarising)*ঃ হস্তগত হিচাপকৰণ পদ্ধতিত উদ্বৃত্ত মিলনপত্ৰ প্ৰস্তুত কৰিবলৈ বিভিন্ন হিচাপৰ জমাসমুহ নিৰ্ধাৰণ কৰি লেনদেন সমুহ সংক্ষিপ্তকৰণ কৰা হয়। ফলত উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰিবলৈ খতিয়নৰ হিচাপ আগতীয়াকৈ কৰাতো অত্যাৱশ্যক। তদুপৰি কম্পিউটাৰ কৃত হিচাপকৰণ পদ্ধতিত উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰি ইয়াৰ প্ৰতিবেদন উলিয়াবলৈ আৰম্ভণীতে জমা কৰা প্ৰতিটো লেন দেনৰ মুঠ জমাটো নিৰ্ণয় কৰি লোৱা থাকে। ইয়াত উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰাৰ বাবে খতিয়ন হিচাপ কৰাটো প্ৰয়োজনীয় চৰ্ত নহয়।
- **প্ৰবিষ্টি সংযোজন***(Adjusting Entries)*ঃ হস্তগত হিচাপকৰণ পদ্ধতিত এই নিস্পত্তিকৰণ খৰচ মিলোৱা ৰাজহৰ মূলনীতিৰ লগত সংযোগ কৰাৰ বাবে প্ৰস্তুত কৰা হয়। এই প্ৰবিষ্টি উৎপাদিত ৰাজহৰ সৈতে চলিত বৃত্তীয় বৰ্ষৰ খৰতবোৰ তুলনা কৰিবলৈ লিপিবদ্ধ কৰা এনে কিছুমান সংযোজন ডাটা সোমাবৰ সময়ত কৰা ভূল সংশোধন কৰিবলৈ কৰা হয়। আনহাতে কম্পিউটাৰযুক্ত হিচাপকৰণত জাৱেদা ৰচিদ সমুহ খৰচ মিলোৱাৰ বাবে বনাই সঞ্চয় কৰা হয়। তাত আগতে কৰা ভুলৰ সংশোধনীৰ ব্যৱস্থা নাই। ইয়াৰ কেবল ভুল ৰচিদ যেনে এটা প্ৰাপ্তি লেনদেনৰ বাবে ৰচিদত আদায় বুলি লিপিবদ্ধ কৰা আদিৰ দৰে মুলনীতিৰ ক্ষেত্ৰত হোৱা ভুল নিৰ্ণয় কৰিব পৰা যায়।
- **ৰিত্তীয় বিবৃতি** *(Financial Statements)* ঃ হস্তাগত হিচাপকৰণ পদ্ধতিত বৃত্তীয় বিবৃতি প্ৰস্তুতিৰ আগেয়ে উদ্বৃত্ত মিলন পত্ৰৰ অৱস্থিতি আছে বুলি ধৰা হয়। কম্পিউটাৰযুক্ত হিচাপকৰণত এনে ধাৰণা কৰাৰ কোনো প্ৰয়োজন নাই। ইয়াৰ দুয়োটা কামৰ মাজত কোনো সম্পৰ্ক নাই কাৰণ আগতীয়াকৈ মজুত কৰি ৰখা লেনদেনৰ ডাটাৰ পৰা এনে বিবৃতি পোনপতীয়াকৈ প্ৰস্তুত কৰিব পাৰি।
- **হিচাপ বহী সমাপ্তকৰণ** ঃ বৃত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ পিছত হিচাপৰক্ষকে অহা বৃত্তীয় বৰ্ষৰ বাবে প্ৰস্তুতি চলায়। জাবেদা বহীত সামৰণি আৰু জাবেদা প্ৰৱিষ্ঠিৰ দ্বাৰা ইয়াক কৰা হয়। কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত বছৰৰ শেষৰ পদ্ধতীকৰণ কৰি ডাটাবেচত হিচাপবোৰৰ আৰম্ভণী জমা প্ৰস্তুত কৰি জমা কৰা হয়।

এইটো লক্ষনীয় যে যিমানে উন্নত প্ৰযুক্তি ব্যৱহাৰ নহওক ধাৰণামুলক ভাবে দুয়োটা হিচাপকৰণ পদ্ধতি অনুৰূপ।

13.3 কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ সুবিধাসমুহ (Advantages of Computerised Accounting System)

হস্তকৃত হিচাপকৰণৰ তুলনাত কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ বহুতো সুবিধা আছে। তলত এইবোৰ সংক্ষেপে বৰ্ণনা কৰা হ'ল।

- **ক্ষিপ্ৰতা** *(Speed)* ঃ কোনো এটা কাম কৰোতে কম্পিউটাৰে মানুহতকৈ বহু কম সময় লয়। সেয়েহে কম্পিউটাৰকৃত হিচাপকৰণ পদ্ধতি হস্তগত পদ্ধতিতকৈ বহু খৰতকীয়া।
- **শুদ্ধতা** *(Accuracy)* ঃ কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত হস্তকৃত পদ্ধতিৰ তুলনাত ভুলৰ পৰিমাণ নগণ্য কাৰণ মুল হিচাপৰ ডাটা সমুহ সকলো ব্যৱহাৰৰ বাবে একেবাৰতে অন্তৰ্ভুক্ত কৰা। ইয়াৰ পৰাই বিভিন্ন কৌশলেৰে হিচাপৰ প্ৰতিবেদন প্ৰস্তুত কৰি উলিওৱা হয়।
- **নিৰ্ভৰযোগ্যতা** *(Realiability)* ঃ কম্পিউটাৰপদ্ধতি এটাই একে কামৰে পুনৰাবৃত্তি কৰাৰ লগত সুসংগত। ই ভাগৰ, আমনি আদি মানবীয় অনুভুতিৰ পৰা বহু আতৰত। সেয়েহে মানুহৰ তুলনাত ই বেছি নিৰ্ভৰ যোগ্য। যিহেতু কম্পিউটাৰকৃত পদ্ধতি মূলত কম্পিউটাৰৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে হস্তকৃত পদ্ধতিৰ তুলনাত ই বেছি নিৰ্ভৰযোগ্য।
- **শেহতীয়া তথ্য যোগান** ঃ কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত নথিবোৰ সোমাই জমা কৰাৰ লগে লগে পদ্ধতিটো নিজে নিজে উন্নীত কৰণ হয়। সেয়েহে হিচাপকৰণৰ প্ৰতিবেদন বনাই ছপা কৰিলে হিচাপ সম্পৰ্কীয় শেহতীয়া প্ৰতিবেদন প্ৰতিফলিত হয়।
  উদাহৰণস্বৰূপে, কোনো লেনদেন এটাত যেতিয়া নগদ ধন দি বয়বস্তু ক্ৰয় কৰাৰ পিছত ইয়াক কম্পিউটাৰত সোমাই জমা কৰিলে নগদ, ক্ৰয় আৰু চূড়ান্ত আটাইবোৰ হিচাপেই প্ৰভাৱিত হয়।
- **ব্যৱহাৰকাৰীৰ প্ৰকৃত সময় ইণ্টাৰফেচ** ঃ বেছিভাগ স্বয়ংক্ৰিয় হিচাপ পদ্ধতীয়েই কম্পিউটাৰ নেটৱৰ্কক সহায়ত পৰস্পৰ জড়িত হৈ থাকে। ফলত একে সময়তে বিভিন্ন ব্যৱহাৰকাৰীয়ে সঠিক তথ্য পাব পাৰে।
- **স্বয়ংক্ৰিয় নথি উৎপাদন** *(Automated Document)* ঃ বেছিভাগ কম্পিউটাৰযুক্ত হিচাপ পদ্ধতিত ব্যৱহাৰকাৰীয়ে সংজ্ঞা দিয়া এটি প্ৰতিবেদনৰ সজ্জা থাকে। নগদ বহী, উদ্বৃত মিলনপত্ৰ,

হিচাপৰ বিবৃতি আদিৰ দৰে প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ কম্পিউটাৰযুক্ত হিচাপৰ পৰিবেশত মাউচেৰে টিপিয়াই সহজতে কৰিব পৰা যায়।

- **জোখৰ মাপকাঠি** *(Scalability)* ঃ কম্পিউটাৰযুক্ত হিচাপ পদ্ধতি এটাৰ বেলিকা অতিৰিক্ত ৰচিদ সোমাবলৈ অতিৰিক্ত মানুহৰ প্ৰয়োজনীয়তা ডাটা অন্তৰ্ভুক্তি কৰা পৰিচালকৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। অতিৰিক্ত লেনদেনৰ বাবে খৰচ প্ৰায়েই নাই। ফলত এই পদ্ধতি অধিক মাপকাঠি সম্পন্ন।
- **স্পষ্টতা** *(Legibility)* ঃ কম্পিউটাৰৰ মনিটৰত দৰ্শোৱা ডাটাটো সুস্পষ্ট হয়। ইয়াৰ কাৰণ হ'ল ইয়াত আখৰ, বৰ্ণ বা সংখ্যাবোৰে এটি মান্যক ৰূপ ব্যৱহাৰ কৰে। এইবাবে হস্তগত পদ্ধতিৰ হব পৰা সম্ভাব্য ভুলবোৰ ইয়াত দেখা নাযায়।
- **দক্ষতা** *(Efficiency)* ঃ কম্পিউটাৰকৃত হিচাপ পদ্ধতিয়ে সম্পদ আৰু সময়ৰ উপযুক্ত প্ৰয়োগ নিশ্চিত কৰে। সেয়েহে ইয়াত উৎপাদিত সিদ্ধান্ত, দৰকাৰী তথ্য আৰু প্ৰতিবেদন নিখুত হয়।
- **গুণগত প্ৰতিবেদন** *(Quality Reports)*ঃ ইয়াত অন্তৰ্ভুক্ত স্বয়ংক্ৰিয় পৰীক্ষা পদ্ধতি আৰু ডাটা অস্পৃষ্টতাই ইয়াৰ ডাটা সমুহ উদ্দেশ্য প্ৰণোদিত আৰু বিশ্বাসযোগ্য কৰি তোলে।
- **তথ্য পৰিচালনা পদ্ধতিৰ প্ৰতিবেদন***(MlS Reports)* ঃ কম্পিউটাৰৰ সহায়ত কৰা হিচাপ পদ্ধতিত এনে প্ৰতিবেদন প্ৰস্তুত কৰি বাণিজ্যিক পৰিঘটনা সমুহ নীৰিক্ষণ আৰু নিয়ন্ত্ৰণ কৰাত সহায় কৰে। দেনাদাৰৰ বিশ্লেষণে অনাদায় আৰু দেনাৰ গোচৰো উদ্বৃত্ত মিলন পত্ৰত ইয়াৰ প্ৰভাৱ দেখুৱায়। উদাহৰণস্বৰূপে, কোনো কোম্পানীয়ে কোনো ক্ৰেতালৈ এক নিৰ্দিষ্ট পৰিমাণত বাকী সীমাবদ্ধ কৰিব পাৰে।
- **সঞ্চয় আৰু আহৰণ** *(Storage & Retrieval)*ঃ কম্পিউটাৰযুক্ত হিচাপকৰণত ডাটা সঞ্চয় কৰাৰ বাবে বেছি পৰিমাণৰ ভৌতিক ঠাইৰ প্ৰয়োজন নহয় কাৰণ এনে ডাটাবোৰ হাৰ্ডডিস্ক, চিডি ৰোম, ফ্ল'পি আদিত সঞ্চয় কৰা হয় যিয়ে খতিয়ন, জাবেদা বা অন্য হিচাপ পঞ্জীয়ন বহীতকৈ বহুতো কম ঠাই লয়। তদুপৰি এই প্ৰণালীত হুবহু ডাটা আৰু তথ্য অতি খৰকৈ আহৰণ কৰিব পাৰি।
- **কৰ্মচাৰীৰ ইচ্ছাত উদ্‌গনি যোগোৱা** ঃ কম্পিউটাৰ পদ্ধতীত হিচাপৰ কাম চলাবলৈ কৰ্মচাৰীৰ এটি বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন হয়। ইয়াৰ ফলত তেওঁলোকে নিজৰ মূল্যবোধ বৃদ্ধি অনুভৱ কৰে। কামৰ প্ৰতি আগ্ৰহ বৃদ্ধি হয়। হস্তগত কামৰ পৰা কম্পিউটাৰকৃত কামলৈ ঢাপলি মেলিলে ই বাধা সৃষ্টিৰ কাৰণ হব পাৰে।

তুমি কি বুজিলা চোৱা

১। ডাটাৰ সঞ্চয় আৰু প্ৰণালীকৰণ গাঠনিকৰ জঁকাটোক _____ কোৱা হয়।

২। ডাটাবেচত _____ ব্যৱহাৰ কৰি গাঠনিক জঁকাটো প্ৰস্তুত কৰা হয়

৩। ডাটাক সিদ্ধান্তমূলক ফলপ্ৰসূ তথ্যলৈ পৰিৱৰ্তন কৰিবলৈ লোৱা কাৰ্যৰ অনুক্ৰমক_____ বোলে।

৪। এক অৱস্থানত এজন ব্যৱহাৰকাৰীৰে সৈতে কোনো এক সৰু বাণিজ্যিক প্ৰতিস্থানৰ বাবে উপযুক্ত হিচাপকৰণ ছফট্‌বেৰ হ'ল _____।

13.4 **কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ সীমাবদ্ধতাবোৰ** (Limitations of Computerised Accounting System)

কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিটো কাৰ্য সম্পাদনৰ বাবে গঢ় দিয়া পৰিবেশৰ পৰাই ইয়াৰ সীমাবদ্ধতা আহে। সীমাবদ্ধতাবোৰ তলত দিয়া হ'ল,

- ***প্ৰশিক্ষণ ব্যয়** (Cost of Training):* অত্যাধুনিক কম্পিউটাৰযুক্ত হিচাপকৰণৰ ছফট্‌ৱেৰবোৰত সাধাৰণতে,বুদ্ধিমত্তা সম্পন্ন কৰ্মচাৰী ব্যক্তিৰ প্ৰয়োজন। ফলস্বৰূপে, হাৰ্ডৱেৰ আৰু চফট্‌ৱেৰৰ নিয়মীয়া ভিত্তিত ব্যৱহাৰ বুজিবলৈ এটা ভাল প্ৰশিক্ষণ ব্যয় উদ্ভৱ হয় কাৰণ হাৰ্ডৱেৰ আৰু চফট্‌ৱেৰ কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত উপযুক্ত ব্যাৱহাৰ আৰু কাৰ্যকৰী হোৱাতো বিচাৰে।
- ***কৰ্মচাৰী** বিৰোধিতা (Staff Opposition):* যেতিয়াই হিচাপকৰণ পদ্ধতিটোক কম্পিউটাৰযুক্ত হয়, সেই ঠাইত বৰ্ত্তমানৰ হিচাপকৰণৰ কৰ্মচাৰীপৰা বিৰোধীতা হয়। আংশিকৰূপে তেওঁলোকক অতিৰিক্ত বুলি গণ্য কৰা হয় আৰু প্ৰতিষ্ঠানটোত কম গুৰত্ব দিয়া হ'ব পাৰে বুলি অনুভৱ কৰে।
- ***বিদাৰক** (Disruption):* যেতিয়া এটা সংগঠনে কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিলৈ সলনি হয় হিচাপকৰণ প্ৰণালীটোৱে এটা অতিৰিক্ত কামৰ সময়ৰ লোকচানৰ ভুক্তভোগী হয়। কামৰ পৰিমাণৰ সা-সলনি হয় বাবে নতুন পদ্ধতি আৰু প্ৰথাবোৰ (procedures) হিচাপকৰণ কৰ্মচাৰীৰ উপযোগী হোৱাৰ প্ৰয়োজন।

- ***পদ্ধতিৰ ত্ৰুটি** (System Failure):* কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ হাৰ্ডৱেৰ বিফলতা আৰু পিছত হোৱা কাৰ্যৰ ক্ষতিৰ কাৰণে পদ্ধতিটো ধ্বংশ হোৱা বিপদটো হ'ল এটা গুৰুত্বপূৰ্ণ সীমাবদ্ধতা। ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱাৰ বাবে ছফট্‌ৱেৰ নষ্ট আৰু বিফল হব পাৰে। এইটো হিচাপকৰণৰ লগত বিশেষ সংগতি ৰাখি তেওঁলোকৰ অনলাইন অপাৰেচনৰ বাবে বহুল ভাবে ইন্টাৰনেটৰ সেৱাৰ ব্যাৱহাৰ কৰে। এতিয়ালৈকে ছফট্‌ৱেৰৰ ওপৰত ভাইৰাছৰ দ্বাৰা আক্ৰান্তৰ ভাবুকি প্ৰতিৰোধ কৰিবলৈ কোনো সম্পূৰ্ণ সংশোধন সমাধান পৰ্য্যাপ্ত নহয়।
- ***অজ্ঞাত ভুলৰ পৰীক্ষাৰ অপাৰগ** (Inability to Check Unanticipated Errors)ঃ* যিহেতু কম্পিউটাৰৰ সিদ্ধান্ত লোৱা ক্ষমতাৰ অভাৱ, মানুহে কৰা অজ্ঞাত ভুল ধৰা পেলাৱ নোৱাৰে। এই কাৰণে ভুল ধৰা পেলোৱা আৰু পৰীক্ষাকৰণ ছফট্‌ৱেৰ টো এটা প্ৰ'গ্ৰেমাৰৰ গোটৰ বুলি জনা যায় আৰু ভুলৰ অনুমান হয়।
- ***সুৰক্ষা ভঙ্গ** (Breaches of Security)ঃ* কম্পিউটাৰ সম্বন্ধীয় অপৰাধ সমুহ বিচাৰি পোৱাটো কঠিন, সেয়ে কোনো ডাটাৰ সাল-সলনি অলক্ষণীয় হৈ থাকিব পাৰে। এটা হস্তগত হিচাপকৰণ পদ্ধতিত সা-সলনি কৰা তথ্যবোৰ প্ৰথমতেই সহজে বিচাৰিব পাৰি। এটা কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিত ডাটা বা প্ৰগ্ৰেমৰ সলনিৰ দ্বাৰা সহজেই প্ৰৱঞ্চনা আৰু অপব্যৱহাৰ কৰিব পাৰি। পাছৱৰ্ড বা ব্যৱহাৰকাৰীৰ অধিকাৰ হেকিং (Hacking) কৰি হিচাপকৰণৰ নথি সমূহ সলনি কৰিব পাৰে। এইটো টেলিকমিনিউকেচনৰ লাইন টেপিং, তাৰ টেপিং বা প্ৰ'গ্ৰেমৰ সংকেত উদ্ধাৰৰ দ্বাৰা লাভ কৰে। বিচাৰি নোপোৱা ডাটা খুচৰি থকাৰ বাবে মানুহেই দায়ী যিটো হস্তগত পদ্ধতিত সাধাৰণতে বিচাৰি পোৱা সহজ।
- ***স্বাস্থ্যত ক্ষতি সাধন** (Ill-effects on health):* কম্পিউটাৰ পদ্ধতিৰ বিস্তিৰ্ণ ব্যৱহাৰে শৰীৰৰ বিভিন্ন ধৰণৰ অসুবিধা যেনে পিঠিৰ অনিষ্ট, চকুটনা, সিৰাৰ বিষ ইত্যাদি কৰে। এইটোৱে একহাতে হিচাপকৰণৰ কৰ্মচাৰীৰ কাৰ্যৰ দক্ষতাৰ বিপৰীতে আয় পৰিবৰ্ত্তন হয় আৰু অন্যহাতে এনেধৰণৰ কৰ্মচাৰীৰ চিকিৎসালয়ৰ ব্যয় বাঢ়ে।

তুমি নিজে কৰা

এটা ব্যৱসায়িক প্ৰতিষ্ঠানে য'ত হিচাপকৰণ হস্তগত ভাবে কৰা হয় পৰিদৰ্শন কৰা। বিভিন্ন হিচাপকৰণ কাৰ্যবোৰলৈ মন কৰা। এতিয়া সুবিধা সমূহৰ তালিকা কৰা। যিটো উৎপন্ন হ'ব লাগে, হিচাপকৰণটো কেতিয়াবা কম্পিউটাৰৰ জৰিয়তে সমাধা কৰা হৈছেল নে?

13.5 হিচাপকৰণ ছফট্‌ৱেৰৰ উৎপত্তিস্থল (Sourcing of Accounting Software)

কম্পিউটাৰযুক্ত হিচাপকৰণ ছফট্‌ৱেৰ হ'ল এটা অখণ্ড অংশ। হিচাপকৰণ ছফট্‌ৱেৰ পোৱাৰ আগতে এটা গুৰুত্ব পূৰ্ণ উপাদান বিবেচনা কৰিব লাগিব যে প্ৰতিষ্ঠানত হিচাপকৰণৰ কামৰ বাবে হিচাপকৰণৰ অভিজ্ঞ ব্যক্তি সকল দায়ী। কম্পিউটাৰ নজনা মানুহে হিচাপকৰণৰ বাবে দায়ী। দুটা পৰিস্থিতিত হিচাপকৰণ ছফট্‌ৱেৰৰ প্ৰয়োজন হয়ঃ ক) যেতিয়া হস্তগত পদ্ধতিটো সলনি কৰিবলৈ কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি খটোৱা হয় বা খ) যেতিয়া বৰ্তমানৰ কম্পিউটাৰযুক্ত পদ্ধতিটো পৰিবৰ্ত্তনৰ প্ৰয়োজনত এটা নতুন পদ্ধতিৰ সৈতে সলনিৰ প্ৰয়োজন হয়।

কোঠালী ১

হিচাপকৰণ ছফট্‌ৱেৰ

বিভিন্ন হিচাপকৰণ ছফট্‌ৱেৰ বজাৰত পোৱা হয়। আটাইতকৈ জনপ্ৰিয় ছফট্‌ৱেৰ টেলী (Tally) আৰু এক্স (Ex) ভাৰতবৰ্ষত ব্যৱহাৰ হয়। সকলো হিচাপকৰণ ছফট্‌ৱেৰৰ মূল বৈশিষ্ট্যবোৰ ভৌগলিক ভিত্তিত একেই। এখন দেশত ন্যায় সংগত নথিৰ প্ৰয়োজনীয়তা আৰু ছফট্‌ৱেৰ বিষয়বস্তুৰ প্ৰভাৱ ব্যাৱসায়ত প্ৰয়োজন। অন্য জনপ্ৰিয় ছফট্‌ৱেৰ বোৰ হ'ল ছেগ (Sage), উইংছ 2000 বেষ্ট বুকছ (Best Books), কেছ মেনেজাৰ (Cash Manager) আৰু এচি পেইজ (Ace Pays) আদি।

13.5.1 হিচাপকৰণৰ পেকেজসমূহ (Accounting Packages)

প্ৰত্যেক কম্পিউটাৰযুক্ত হিচাপকৰণ ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি হিচাপকৰণ পদ্ধতি ব্যাৰহাৰ কাৰ্য (লিপিবদ্ধ আৰু হিচাপকৰণৰ ডাটা সঞ্চয়) আৰু প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ব্যাৱহাৰ হয়।

এই দৃষ্টিকোণৰ পৰা হিচাপকৰণৰ পেকেজবোৰ তলৰ ভাগসমূহত শ্রেণীবিভাজন হয়।

ক) ব্যৱহাৰৰ বাবে সাজু (Ready to use)

খ) প্রয়োজনসাপেক্ষ (Customised)

গ) টেইলৰ্ড (Tailored)

13.5.2 ব্যৱহাৰৰ বাবে সাজু (Ready-to-use)

ব্যাৱহাৰৰ বাবে সাজু হিচাপকৰণ ছফট্‌ৱেৰ সৰু ব্যাৱসায় প্রতিষ্ঠানত চলাৰ উপযোগী য'ত হিচাপৰ লেনদেনৰ পুনৰা বৃত্তি বা পৰিমাণ খুব কম। এই বাবে স্থাপনৰ খৰচ সধাৰনতে কম আৰু ব্যাৱহাৰকাৰী সংখ্যা সীমিত। ব্যৱহাৰৰ বাবে সষ্টম ছফট্‌ৱেৰ তুলনামূলক ভাৱে আয়ত্ব কৰিবলৈ সহজ আৰু মানুহৰ (হিচাপ ৰক্ষক) গ্রহণ যোগ্যতা খুব বেছি। ইয়াত গোপনীয়তাৰ স্তৰ তুলনামূলক ভাৱে কম আৰু ছফট্‌ৱেৰটোৰ ডাটা প্রবঞ্চনা কৰাৰ সম্ভৱনা বেছি। প্রয়োজনীয় প্রশিক্ষণ সহজ আৰু কেতিয়াবা বিক্রেতাই (ছফট্‌ৱেৰ যোগানকাৰী) ছফট্‌ৱেৰৰ ওপৰত বিনামুলীয়া প্রশিক্ষণ আগবঢ়ায়। এইবোৰ ছফট্‌ৱেৰে বেলেগ তথ্য পদ্ধতিৰ লগত সংযোগ কৰাত কম সুযোগ প্রদান কৰে।

13.5.3 প্রয়োজন সাপেক্ষে সলনিকৰণ (Customised)

হিচাপকৰণ ছফট্‌ৱেৰ ব্যাৱহাৰকাৰীৰ বিশেষ প্রয়োজন পুৰাবলৈ প্রয়োজন সাপেক্ষে সলনি কৰিব পাৰি। বজাৰত পোৱা আৰ্হি স্বৰূপ হিচাপবিদ্যা ছফটৱেৰ ব্যাৱহাৰকাৰীৰ প্রয়োজন পুৰাব নোৱাৰিব পাৰে। উদাহৰণ স্বৰূপে আৰ্হি স্বৰূপ হিচাপকৰণ ছফট্‌ৱেৰে বিক্রি ৰচিদ আৰু পণ্যবস্তুৰ অৱস্থা বিকল্প দি সন্নিবিষ্ট হব পাৰে। তথাপি যেতিয়া ব্যাৱহাৰকাৰীয়ে বিক্রি ৰচিদ অন্তৰ্ভুক্তি কৰোতে পন্যবস্তুৰ স্থিতি আপোনা-আপুনি সলনি আৰু প্রতিবেদন ছপা কৰিব বিচাৰে, ছফট্‌ৱেৰটো প্রয়োজন সাপেক্ষে সলনিৰ প্রয়োজন হয়।

প্রয়োজন সাপেক্ষে সলনি কৰিব পৰা ছফট্‌ৱেৰ বৃহৎ আৰু মজলীয়া ব্যাৱসায়ত উপযোগী আৰু অন্য তথ্য পদ্ধতিৰ লগত সংযোগ কৰিব পাৰি। প্রতিস্থাপনা আৰু ৰক্ষনাবেক্ষণৰ ব্যয় তুলনামুলকভাৱে বেছি, কাৰণ প্রয়োজন সাপেক্ষে সলনিকৰণৰ বাবে বিক্রেতাক অধিক ব্যয় পৰিশোধ কৰিব লাগে। প্রয়োজন সাপেক্ষে সলনিকৰণে ছফট্‌ৱেৰৰ বিষয়বস্তুবোৰত, নিৰ্দিষ্ট সংখ্যক ব্যাহাৰকাৰীৰ বাবে আয়োজনত আৰু প্রণালীকৰণ ইত্যাদিত সা-সলনি আৰু যোগ দিয়া সন্নিবিষ্ট কৰে। ডাটা গোপনীয়তা আৰু ছফট্‌ৱেৰ প্রয়োজন সাপেক্ষে সলনিকৰণ ছফট্‌ৱেৰত ভালকৈ প্রতি

পালিত কৰিব পাৰি। যিহেতু ছফট্‌ৱেৰ ব্যাৱহাৰকাৰীৰ প্ৰ শিক্ষণৰ প্ৰয়োজনটো গুৰুত্বপূৰ্ণ, সেইকাৰণে প্ৰশিক্ষণৰ ব্যয়টো অধিক।

13.5.4 টেইলৰ্ড (Tailored)

হিচাপকৰণ ছফট্ ৱেৰ সাধাৰণতে বৃহৎ ব্যাৱসায় প্ৰতিষ্ঠাপনবোৰত বহু ব্যাৱহাৰকাৰী আৰু ভৌগলিক ভাবে বিস্তাৰিত ঠাইৰ সৈতে টেইলৰ্ড কৰে। এইবোৰ ছফট্‌ৱেৰৰ ব্যৱহাৰকাৰীৰ বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন হয়। টেইলৰ্ড ছফট্‌ৱেৰ ব্যৱহাৰকাৰীৰ বিশেষ আৱশ্যক পুৰাবলৈ আৰু সংগঠনৰ ব্যাৱস্থাপনা তথ্য পদ্ধতিৰ এটা গুৰত্ব পূৰ্ণ অংশ গঠন কৰিবলৈ প্ৰয়োজন। এনে ছফটৱেৰত গোপনীয়তা আৰু প্ৰমাণীকৰণৰ পৰীক্ষা শক্তিশালী আৰু ব্যৱহাৰকাৰীৰ সংখ্যাৰ ক্ষেত্ৰত অধিক সহজবোধ প্ৰদান কৰে।

সংক্ষেপে তলৰ তালিকাখনে বিভিন্ন হিচাপকৰণৰ ছফট্‌ৱেৰৰ মাজত তুলনা আগবঢ়াইছে।

মূল	*ব্যৱহাৰৰ বাবে সাজু*	*প্ৰয়োজন সাপেক্ষ*	*টেইলৰ্ড*
ব্যৱহাৰ প্ৰকৃতি	সৰু আৰু চলিত ব্যৱসায়	বৃহৎ, মজলীয়া ব্যৱসায়	বৃহৎ দৃষ্টান্ত স্বৰূপ ব্যৱসায়
সংস্থাপনৰ আৰু ৰক্ষণাবেক্ষণ ব্যায়	কম	তুলনামুলক বেছি	বেছি
গোপনীয়তা স্তৰৰ আশা (Software আৰু Data)	কম	তুলনামুলক বেছি	তুলনামুলক বেছি
ব্যৱহাৰকাৰীৰ সংখ্যা আৰু সিহতৰ ইণ্টাৰফেছ	সীমিত	বিবৰণৰ মতে	অসীম
অন্য তথ্য পদ্ধতিৰ লগত সংযোগতা	আবদ্ধ	পাৰি	পাৰি
গ্ৰহণ যোগ্যতা	অধিক	তুলনা মুলক	নিৰ্দিষ্ট
প্ৰশিক্ষাৰ অৱ্যকতা	কম	মজলীয়া	বেছি

তুমি নিজে কৰা

এটা ব্যৱসায়িক বেংক আৰু এটা ডাঙৰ বাণিজ্য মহললৈ গৈ পৰিদৰ্শন কৰা। তাত কৰা বিভিন্ন কাৰ্য সমূহ চোৱা আৰু হিচাপকৰণৰ প্ৰয়োজন বিশ্লেষণ কৰা হিচাপকৰণৰ কাৰ্য সমূহ সমাধা কৰাৰ বাবে এটা সঠিক শ্ৰেণীৰ হিচাপকৰণৰ পেকেজ চিনাক্ত কৰা।

13.6 এটা হিচাপকৰণ ছফট্‌ৱেৰ উৎপন্নৰ আগতে জাতিগত বিবেচনাসমূহ (Generic Considerations before Sourcing an Accounting Software)

হিচাপকৰণ ছফট্‌ৱেৰ উৎপন্ন কৰাৰ আগতে তলত দিয়া উপাদানসমূহ সাধাৰণতে বিবেচনা কৰা হয়।

13.6.1 সহজবোধ্যতা (Flexibility)

হিচাপকৰণ ছফট্‌ৱেৰ উৎপন্ন ক ৰাৰ আগতে এটা গুৰুত্বপৰ্ণ বিবেচনা হ'ল সহজবোধতা যেনে- ডাটা অন্তৰ্ভুক্তি উপস্থিতি আৰু বিভিন্ন প্ৰতিবেদন ইয়াৰপৰা প্ৰস্তুত কৰা হয়। এইটোৱে ছফট্‌ৱেৰ ব্যৱহাৰকাৰীৰ মাজত হিচাপৰক্ষকৰ বদলিকৰণ, পৰিচালিত পদ্ধতিৰ আৰু হাৰ্ডৱেৰ কিছু সহজবোধ প্ৰদান কৰিব লাগে।ব্যৱহাৰকাৰীয়ে বিভিন্ন পৰিচালিত পদ্ধতি (platforms) আৰু কম্পিউটাৰত ছফট্‌ৱেৰটো চলোৱাৰ বাবে সাৰ্থক হব লাগে। যেনে- উনমেণ্ডা 98/2000, লিনাক্স আদি

13.6.2 স্থাপন আৰু প্ৰতিপালন ব্যয় (Cost of Installation and Maintenane)

ছফট্‌ৱেৰৰ বাচনি স্পষ্টৰূপে হাৰ্ডৱেৰ আৰু ছফট্‌ৱেৰৰ খৰচ আদায় দিব পৰা সংগঠনৰ সামৰ্থৰ ওপৰত নিৰ্ভৰশীল। এনে ধৰণৰ সিদ্ধান্ত লোৱাৰ কাৰণে এটা সৰল পথ নিৰ্দেশক হ'ল মজুত থকা বিকল্পবোৰ। আয় ব্যয় বিশ্লেষণ আৰু প্ৰতিষ্ঠানটোত অৰ্থব্যয় কৰা অবস্থিতিৰ প্ৰয়োগবোৰো কেতিয়াবা সস্তাত ক্ৰয় কৰা পৰিলক্ষিত হোৱা কিছুমান ছফট্‌ৱেৰ অধিক ৰক্ষনাবেক্ষণ আৰু সালকলনিকৰণৰ ব্যয় বহন কৰে, যেনে ম'ডিউলৰ যোগদান খৰচ, কৰ্মচাৰীৰ প্ৰশিক্ষণৰ খৰচ, ভাৰচনৰ সলনি খৰচ, ডাটা বিফল/পুনঃ সঞ্চৰ খৰচ ইত্যাদি। আনহাতে হিচাপকৰণ ছফট্‌ৱেৰ যিটো আৰম্ভণীতে ক্ৰয়ৰ

বাবে ব্যয়বহুল পৰিলক্ষিত হয়, অতি কম ৰক্ষনাবেক্ষণৰ প্ৰয়োজন হব পাৰে, বিনামূলীয়া উন্নীতকৰণ আৰু সলনিকৰণৰ ব্যয় পৰিহাৰ কৰা হয়।

13.6.3 সংগঠনৰ আকাৰ (Size of Organisation)

ছফট্‌ৱেৰ বাচনি কৰোতে সংগঠনটোৰ আকাৰ আৰু ব্যৱসায়ৰ লেনদেনৰ পৰিমাণে প্ৰভাৱ পেলায়। সৰু প্ৰকৃতিৰ সংগঠন, যেনে লাভ বিহীন সংগঠন যত হিচাপকৰণৰ লেনদেনৰ সংখ্যা খুব বেছি নহয়, এনে সাধাৰণ, আৰু একক ব্যৱহাৰকাৰীৰ পৰিচালিত ছফট্‌ৱেৰ বাচি লব পাৰে। য'ত এটা বৃহত সংগঠনৰ ভিন্ন ব্যৱহাৰকাৰীৰ (Multi-user) প্ৰয়োজন ভৌগলিকভাবে সিঁচৰিত আৰু জটিল নেটৱৰ্কেৰে সংযোগিত পুৰাবলৈ অত্যাধুনিক ছফটৱেৰৰ প্ৰয়োজন হব পাৰে।

13.6.4 সহজ গ্ৰহণযোগ্যতা আৰু প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা (Ease of Adaptation and Training needs)

কিছুমান হিচাপকৰণ ছফট্‌ৱেৰ বন্ধুসুলভ হয় আৰু ব্যৱহাৰকাৰীক এটা সাধাৰণ প্ৰশিক্ষনৰ প্ৰয়োজন। তদুপৰি অন্য তথ্য পদ্ধতিৰ লগত সংগতি ৰখা কিছুমান বেলেগ জটিল ছফট্‌ৱেৰ পেকেজ নিয়মীয়াভিত্তিত অবিশ্ৰান্ত প্ৰশিক্ষণৰ প্ৰয়োজন। ছফট্‌ৱেৰটোৱে ব্যৱহাৰকাৰীক আকৰ্ষণ কৰা বিধৰ হ'ব লাগিব আৰু সাধাৰণ প্ৰশিক্ষণৰ প্ৰয়োজন, ই ব্যৱহাৰকাৰীক আকৰ্ষণ কৰিব লাগিব।

13.6.5 উপযোগিতা /এম আই এছ (MIS) প্ৰতিবেদন (Utilities / MIS Reports)

সংগঠনত এম আই এছ প্ৰতিবেদন আৰু কোনটো ওচৰত সিঁহতে ব্যবহৃত ছফট্‌ৱেৰ আহৰণ নিৰ্ণয় কৰে। উদাহৰণস্বৰূপে, যিটো ছফট্‌ৱেৰে সাধাৰণতে চুড়ান্ত বিবৃত্তি বা নগদ প্ৰবাহ (Cash flow) অনুপাত বিশ্লেষণৰ উৎপন্ন কৰে, ব্যবহাৰৰ বাবে সাজু ছফট্‌ৱেৰ প্ৰয়োজন হব পাৰে। তদুপৰি, যিটো ছফট্‌ৱেৰ ব্যয় প্ৰতিবেদন উৎপাদনৰ আশা কৰা হয় ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি সলনিৰ প্ৰয়োজন হয়।

13.6.6 ছফট্‌ৱেৰ আৰু ডাটাৰ গোপনীয়তাৰ স্তৰ (Expected Level of Secrecy (Software and Data)

হিচাপকৰণ ছফট্‌ৱেৰ ক্ৰয় কৰাৰ আগতে অন্য এটা বিবেচনা হল গোপনীয়তাৰ স্তৰ, যিয়ে অনুমোদন নথকা ব্যক্তিক ডাটা আহৰণ বা ডাটাত কাৰ্য কৰাৰ পৰা বিৰত ৰাখে। বৃহৎ ব্যৱসায়ৰ টেইলৰ্ড ছফট্‌ৱেৰত ব্যৱহাকাৰীৰ অধিকাৰ ক্ৰয় বিভাগৰ বাবে ক্ৰয় ৰচিদত, হিচাপ পত্ৰ (billing) হিচাপৰক্ষকৰ

লগত বিক্রয় ৰচিদ আৰু ধন জমা ৰাখোতাৰ সৈতে সৰু নগদ আৰ্হি আহৰণতে সীমাবদ্ধ হব পাৰে। উইণ্ডোজৰ (windows) ৰ তুলনাত ইউনিক্স (Unix) পৰিচালনা পৰিবেশে বহু ব্যৱহাৰকাৰীৰ অনুমতি দিয়ে। ইউনিক্সৰ ব্যৱহাৰকাৰীয়ে পাছৱৰ্ড (Passwords)ত সৈতে পদ্ধতিটোৰ ব্যৱহাৰকাৰীয়ে কম্পিউটাৰপদ্ধতিতো কাৰ্যকৰী কৰিব নোৱাৰে, যিটো উইণ্ডোত বাধকতা নহয়।

13.6.7 ডাটা সুবিধাৰ আমদানিকৰণৰ ৰপ্তানি (Exporting/Importing Data Facility)

কেতিয়াবা হিচাপকৰণ ছফট্‌ৱেৰৰ পৰা ডাটাবেছ ডাটা পদ্ধতি বা ছফট্‌ৱেৰলৈ পঠাব বিচৰা হয়। সংগঠনটোৰ খতিয়নৰ পৰা তথ্য স্পষ্টকৈ স্প্ৰেডছিটৰ (Spreedsheet) ছফট্‌ৱেৰ লৈ প্ৰেৰণ কৰাৰ প্ৰয়োগ হব পাৰে যেনে লোটাছ (Lotus) বা বেছি সহজবোধ (flexible) বিবৰণৰ বাবে এক্সেল ছফট্‌ৱেৰটোৱে বিজ্ঞানসন্মত অপৰিৱৰ্তিত ডাটা হস্তান্তৰ কৰিব লাগে।

সংগঠনত হিচাপকৰণ ছফট্‌ৱেৰ এম আই এছ (MIS) ছফট্‌ৱেৰৰ লগত সংযোগ কৰিব লগাৰ প্ৰয়োজন হব পাৰে। কিছুমান ব্যৱস্থাৰ বাবে সাজু হিচাপকৰণ ছফট্‌ৱেৰত ৰপ্তানিকৰণ আমদানিকৰণ সুবিধা পোৱা হয়, কিন্তু মাত্ৰ এম এছ অফিছ আৰ্হিত সীমাবদ্ধতা থাকে যেনে, এম এছ ৱৰ্ড (MS-word), এম এছ এক্সেল (MS Excel) আদি। তদুপৰি টেইলৰ্ডত ছফট্‌ৱেৰবোৰ এনে ধৰণে ৰূপাঙ্কিত কৰা হয় যে সিহঁতে সংগঠনীয় এম আই এছ (MIS) ৰ বিভিন্ন সংযোগী অংশৰ সৈতে কাৰ্যকৰী আৰু তথ্য বিতৰণ কৰিব পাৰে।

13.6.8 বিক্ৰেতাৰ সুনাম আৰু সামৰ্থ্যতা (Vendors Reputation & Capability)

অন্য এক গুৰুত্বপূৰ্ণ বিবেচনা হ'ল বিক্ৰেতাৰ বিষয়ে সুনাম আৰু সামৰ্থতা। এইটো ছফট্‌ৱেৰ উৎপাদন ব্যৱসায়ত কিমান দিন তেখেত বিক্ৰেতা হিচাপে আছে তাৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া ছফট্‌ৱেৰটো বেলেগ ব্যৱহাৰকাৰীও থাকে আৰু বিক্ৰি আৱাসৰ বাহিৰত সেৱা পদ্ধতি প্ৰপ্তিৰ পৰিসৰ থাকে।

এই অধ্যয়ৰ মূল পদ সমূহ

- কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি
- হস্তকৃত হিচাপকৰণ পদ্ধতি
- সকলোৰে গ্ৰহণযোগ্য হিচাপকৰণ নীতি
- পৰিয়ালত পৰিৱেষণ
- হিচাপকৰণ ছফট্‌ৱেৰ
- হিচাপকৰণৰ পেকেজ

শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ

(Summary with reference to learning objectives)

1. ***কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি ঃ*** এটা কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি হ'ল এটা হিচাপকৰণ তথ্য পদ্ধতি যিটোৱে ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ বিত্তীয় লেনদেনসমূহ আৰু ঘটনাৱলী-প্ৰণালীকৰণ কৰে। এইটো ডাটাবেছৰ ধাৰণাৰ ওপৰত ভিত্তি কৰে আৰু দুটা মুল প্ৰয়োজন আছে। a) হিচাপকৰণ ঠাচ্ (Accounting Framework) আৰু b) পৰিচালিত পদ্ধতি (Opereting Procedure)।

2. ***কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ সুবিধাসমূহ ঃ***

- গতি
- শুদ্ধতা
- নিৰ্ভৰযোগ্যতা
- সম্পূৰ্ণতা
- জোখৰ মাপকাঠি
- স্পষ্টতা
- দক্ষতাপূৰ্ণ
- গুণগত প্ৰতিবেদন
- এম আই এছ প্ৰতিবেদন
- সঠিক সময় ব্যৱহাৰকাৰী ইন্টাৰফেছ
- সঞ্চয় আৰু আহৰণ
- কাৰ্যৰ প্ৰবণতা আৰু কৰ্মচাৰীৰ স্বাৰ্থ
- স্বয়ংক্ৰিয় নথি উৎপাদন

3. ***কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ সীমাবদ্ধতাবোৰ ঃ***

- প্ৰশিক্ষণৰ ব্যয়
- কৰ্মচাৰীৰ বিৰোধিতা
- বিদাৰণ
- পদ্ধতিৰ ক্ৰটি
- সুৰক্ষাৰ ফাট
- স্বাস্থ্যৰ ক্ষতিসাধণ
- অজ্ঞাত ভুলৰ পৰীক্ষণৰ অপাৰগ

4. ***হিচাপকৰণ পেকেজৰ শ্ৰেণীবিভাগ ঃ***

- ব্যৱহাৰৰ বাবে সাজু
- প্ৰয়োজনসাপেক্ষে সলনিকৰণ
- টেইলৰ্ড

অনুশীলনী

ছুটি উত্তৰ

1) ডাটাবেছ ব্যৱহাৰৰ চাৰিটা প্ৰধান প্ৰয়োজনীয়তা উল্লেখ কৰা।
2) হিচাপকৰণ পেকেজৰ বিভিন্ন শ্ৰেণীবিভাগৰ নাম লিখা।
3) দুই ধৰণৰ পৰিচালিত পদ্ধতিৰ (OS) উদাহৰণ দিয়া।
4) কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ বিভিন্ন সুবিধাসমূহ উল্লেখ কৰা।
5) প্ৰত্যেক সংগঠনৰ বাবে দুটাকৈ উদাহৰণ দিয়া যত ব্যৱহাৰৰ বাবে সাজু, 'প্ৰয়োজনসাপেক্ষে সলনিকৰণ' আৰু 'টেইলৰ্ড' হিচাপকৰণ পেকেজ হিচাপকৰণৰ কাৰ্য সমাধা কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
6) 'ব্যৱহাৰৰ বাবে সাজু' আৰু 'টেইলৰ্ড' হিচাপকৰণ ছফট্‌ৱেৰৰ মাজত পাৰ্থক্য লিখা।

দীঘলীয়া উত্তৰ

1) এটা কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি ব্যাখ্যা কৰা। হস্তগত আৰু কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ মাজত পাৰ্থক্য লিখা।
2) কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতিৰ হস্তগত হিচাপকৰণ পদ্ধতিৰ ওপৰত সুবিধাসমূহ আলোচনা কৰা
3) বিভিন্ন ধৰণৰ হিচাপকৰণ ছফট্‌ৱেৰ সিহতৰ সুবিধাসমূহ আৰু সীমাবদ্ধতাসমূহ লিখা।
4) 'হিচাপকৰণ ছফট্‌ৱেৰ কম্পিউটাৰ হিচাপবিদ্যা পদ্ধতিৰ এটা অটুট অংশ' বহলাই লিখা । এটা হিচাপকৰণ ছফট্‌ৱেৰ উৎপত্তিৰ আগতে মূল বিবেচনা সমূহ সংক্ষেপে তালিকা কৰা।
5) 'কম্পিউটাৰযুক্ত হিচাপকৰণ পদ্ধতি হিচাপকৰণ পদ্ধতিৰ আটাইতকৈ ভালগঠন' তুমি সন্মত নে? মন্তব্য দিয়া।

তুমি কি বুজিলা চোৱাৰ উত্তৰ তালিকা

1) পৰিচালিত পৰিবেশ	2) ডি বি এম এছ (D.B.MS)
3) ডাটা প্ৰনালীকৰণ	4) ব্যাৱহাৰৰ বাবে সাজু